দেওবৰীয়া চ'ৰ
DAINIK ASAM, 6 MAY, 2012

মানৱীয় গুণৰাজিক
ন-ৰূপেৰে উদ্ভাসিত কৰা ছবি

# ফৰেষ্ট গাম্প

চলচ্চিত্ৰ । জিতুমণি পাঠক

সময় চিৰ প্ৰৱহমান। সময়ৰ ৰথত আৰোহণ কৰি এগৰাকী শিশু যৌৱনপ্ৰাপ্ত হয় আৰু ক্ৰমশঃ গতি কৰে জৰা অৱস্থালৈ। সময়ৰ কাঠিন্যতাত পিষ্ট হৈ ব্যক্তি এগৰাকীৰ শিশু সুলভ সাৰল্যতা লোপ পায় আৰু সৃষ্টি হয় এক নতুন ব্যক্তিত্বৰ। জীৱনৰ এয়া এক স্বাভাৱিক প্ৰক্ৰিয়া। কিন্তু জীৱনৰ এই স্বাভাৱিকতাৰ বিপৰীত মেৰুত স্থিত এক চৰিত্ৰ যেন ফৰেষ্ট গাম্প। জীৱনৰ হাজাৰ ঘাত-প্ৰতিঘাতৰ প্ৰতিও যাৰ এক নিস্পৃহ দৃষ্টিভংগী। নিজে সৃষ্টি কৰি লোৱা ক্ষুদ্ৰ জগতখনত মাত্ৰ তিনিটি চৰিত্ৰই মাত্ৰ পৰিভ্ৰমণ কৰি ফুৰে— জেনী, মাক আৰু ভগৱান। বাহ্যিক জগতখনৰ কঠোৰৰপৰা কঠোৰতম সমস্যাবোৰকো তেওঁ সন্মুখীন হয় শিশুসুলভ সৰলতাৰে। মানুহৰ কপটতা-চাতুৰিৰ একো আও-ভাও নোপোৱা এনে এক চৰিত্ৰৰ চিত্ৰায়নৰে ১৯৯৪ চনত নিৰ্মিত হৈছিল এখন ধ্ৰুপদী ছবি 'ফৰেষ্ট গাম্প'। ছবিখনৰ কাহিনীৰ ভেটিটো গ্ৰহণ কৰা হৈছিল ১৯৮৮ চনত উইনষ্টন গ্ৰুমৰ একে নামৰে প্ৰকাশিত উপন্যাসখনৰপৰা। কিন্তু ছবিৰ ৰূপ দিবলৈ যাওঁতে মূল চৰিত্ৰটোক দৰ্শকৰ অধিক কাষ চপাই আনিবলৈ পৰিচালক ৰবাৰ্ট জেমিক্‌ছে (Robert Zemeckis) চৰিত্ৰটোত কিছু সাল-সলনি ঘটাইছিল। যাৰ বাবে ছবিৰ ফৰেষ্ট গাম্পৰ ব্যক্তিত্বৰ সৈতে উপন্যাসৰ ফৰেষ্ট গাম্পৰ ব্যক্তিত্বৰ যথেষ্টখিনি পাৰ্থক্য অনুভূত হয়।

'ফৰেষ্ট গাম্প' মূলতঃ এখন কমেডী ড্ৰামা। জীৱনৰ কঠিন মুহূৰ্তবোৰতো ফৰেষ্ট গাম্পৰ শিশুসুলভ সৰলতাই সৃষ্টি কৰা হাস্যৰস তথা তাৰ মাজত নিহিত হৈ থকা সূক্ষ্ম মানৱীয় অনুভূতিয়েই ছবিখনৰ মূল আবেদন। ছবিখনৰ আৰম্ভণিতে দেখা যায় ফৰেষ্ট গাম্পে (টম হেংকছ) তেওঁৰ কাষত বহা অচিনাকি ব্যক্তি এগৰাকীক তেওঁৰ ইচ্ছা-অনিচ্ছাৰ প্ৰতি গুৰুত্ব আৰোপ নকৰাকৈয়ে নিজৰ জীৱনৰ কাহিনী ক'বলৈ আৰম্ভ কৰে। এইদৰে ছবিৰ কাহিনীভাগ ফ্লেচ বেকলৈ গতি কৰে। সৰুতে ফৰেষ্টে ভৰি দুখনৰে খোজ কাঢ়িবলৈ অসুবিধা পাইছিল। সেয়েহে ভৰিত ষ্টিলেৰে নিৰ্মিত এবিধ পাত (Brace) পৰিধান কৰিছিল। স্কুলৰ প্ৰথম দিনতে ফৰেষ্টে বাছত লগ পায় জেনীক (ৰবিন ৰাইট)। জেনীৰ সৈতে খুব কম সময়ৰ ভিতৰতে ফৰেষ্টৰ বন্ধুত্ব গঢ় লৈ উঠে আৰু পিছলৈ সেই সম্পৰ্কই ফৰেষ্টৰ হৃদয়ত জেনীৰ প্ৰতি প্ৰেমৰ অনুৰাগ সৃষ্টি কৰে। শৈশৱৰ সেই মধুৰ দিনবোৰ ফৰেষ্টে জেনীৰ সৈতে উমলি-জামলি কটাবলৈ লয়। কিন্তু তাৰ মাজতে ফৰেষ্টৰ সমবয়সীয়া কেইটামান চুবুৰীয়া ল'ৰাই ফৰেষ্টৰ পংগুতাক উপহাস কৰাৰ লগতে বিভিন্ন সময়ত তাক শাৰীৰিক-মানসিক নিৰ্যাতন কৰি থাকে। এদিন সেই উদণ্ড ল'ৰাকেইটাই তেনে এক মনোভাবেৰে ফৰেষ্টক আগুৰি ধৰাত লগত থকা জেনী অসহায় হৈ পৰে আৰু তাক বচাবলৈ চিঞৰি উঠে, 'ৰাণ ফৰেষ্ট, ৰাণ। ৰাণ।' জেনীৰ সেই শব্দকেইটাই যেন তাক যাদুৰ দৰে কাম কৰে। উদ্ধশ্বাসে সি লৰিবলৈ আৰম্ভ কৰে। তাৰ ভৰি দুখনত থকা দুৰ্বলতা যেন কৰ্পূৰৰ দৰে উৰি যায়। ভৰিত লগোৱা ষ্টিলৰ পাতবোৰো এডাল এডালকৈ ভাগি যায়। জেনীৰ শব্দকেইটা কৰ্ণকুহৰত বাজি থকালৈ সি দৌৰিয়েই থাকে। এটা সময়ত সি অনুভৱ কৰে যে তাক আৰু খোজ কাঢ়িবলৈ ষ্টিলৰ পাতবোৰৰ কেতিয়াও প্ৰয়োজন নহ'ব।

বুদ্ধিমত্তাৰ ফালৰপৰা ফৰেষ্টৰ আই কিউ সাধাৰণ মানুহতকৈ যথেষ্ট কম আছিল যদিও এই অসাধাৰণ দৌৰিব পৰা গুণটোৰ বাবেই ইউনিভাৰছিটীৰ ফুটবল টীমত তেওঁ স্থান লাভ কৰিছিল। এই সময়ছোৱাতে বাস্তৱৰ দুটি ঐতিহাসিক চৰিত্ৰৰ সৈতে ফৰেষ্টৰ সাক্ষাৎ দেখুওৱাই পৰিচালক ৰবাৰ্ট জেমিক্‌ছে অতি উচ্চমানৰ ভিজুৱেল এফেক্টৰ জৰিয়তে। ঐতিহাসিক চৰিত্ৰ দুটি আছিল আমেৰিকান ৰাষ্ট্ৰপতি জন এফ কেনেডী আৰু বৰ্ণ-বৈষম্যবাদৰ হোতা জৰ্জ ৱালেছ।

কলেজীয়া শিক্ষা শেষ কৰাৰ অন্তত ফৰেষ্টে সামৰিক বাহিনীত যোগদান কৰে। ইয়াতো ফৰেষ্টক অসাধাৰণ গতিত দৌৰিব পৰা গুণটোৱে সহায় কৰিছিল। সামৰিক বাহিনীত থকাৰ সময়ত ফৰেষ্টৰ বন্ধুত্ব গঢ় লৈ উঠে বুব্বাৰ (উইলিয়ামছন) সৈতে। তেওঁলোক দুয়ো মিলি ঠিক কৰে যে ভিয়েটনাম যুদ্ধৰ অৱসানৰ পিছত তেওঁলোকে মাছ মৰাৰ ব্যৱসায় আৰম্ভ কৰিব। ১৯৬৭ চনত তেওঁলোকৰ প্লেটুনক ভিয়েটনাম যুদ্ধলৈ পঠিওৱা হয়। কেইবামাহো নিৰাপদ পেট্ৰলিং চলি থকাৰ মাজতে হঠাতে তেওঁলোকৰ প্লেটুন এক ভয়াৱহ আক্ৰমণৰ সন্মুখীন হয়। সেই আক্ৰমণত ফৰেষ্ট আঘাতপ্ৰাপ্ত হয়। কিন্তু তেনে আঘাতপ্ৰাপ্ত অৱস্থাৰেই ফৰেষ্টে লেফটেনেণ্ট ডন টেইলৰকে ধৰি কেইবাজনো আঘাতপ্ৰাপ্ত সৈনিকক নিৰাপদ স্থানলৈ কঢ়িয়াই আনে। বাৰে বাৰে আক্ৰমণস্থলীলৈ গৈ আঘাতপ্ৰাপ্ত সৈনিকবোৰক কঢ়িয়াই অনাত ফৰেষ্টৰ কোনো বীৰত্ব প্ৰদৰ্শন মনোভাব নাছিল, আছিল নিজৰ সহকৰ্মীসকলৰ প্ৰতি এক সমমৰ্মিতা। এই আক্ৰমণত বুকুত আঘাত পায় বুব্বাৰ মৃত্যু ঘটে। যুদ্ধৰ পিছত আমেৰিকাৰ ৰাষ্ট্ৰপতি লিণ্ডন বি জনছনে ফৰেষ্টক 'মেঁডেল অব্ অনাৰ'ৰে সন্মানিত কৰে। কিন্তু তাৰ বিপৰীতে লেঃ টেইলৰ, যাৰ জীৱন ফৰেষ্টে নিজৰ জীৱনক আওকাণ কৰি বচাইছিল, তেওঁৰ প্ৰচণ্ড গালিৰ সন্মুখীন হয়। কাৰণ সেই আক্ৰমণত লেঃ টেইলৰে দুয়োখন ভৰিও হেৰুৱাইছিল। ফৰেষ্টে যদি তেওঁক নবচালে হয়, তেন্তে তেওঁ এনে এটা পংগু জীৱন লৈ জীয়াই থাকিব নালাগিলে হয়।


সামৰিক বাহিনীৰ পৰা অব্যাহতি লোৱাৰ পিছত ফৰেষ্টে বন্ধু বুব্বাক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰি মাছ ধৰাৰ ব্যৱসায় আৰম্ভ কৰিবলৈ ঠিক কৰে। লেঃ টেইলৰে ফৰেষ্টৰ এই পৰিকল্পনা শুনি ঠাট্টাৰ সুৰেৰে কয় যে ফৰেষ্টে যদি ব্যৱসায় আৰম্ভ কৰে তেন্তে তেওঁ ফৰেষ্টৰ প্ৰথমজন সহযোগী হ'ব। ফৰেষ্টে লেঃ টেইলৰৰ সেই পৰিহাস বুজি নাপাই কথাটো সঁচা বুলিয়েই ধৰি ল'লে। তাৰ মাজতে জেনীৰ সৈতে এদিন দেখা হৈছিল যদিও জেনীয়ে ফৰেষ্টৰ লগত অকণমান সময় কটাই তাইৰ বয়ফ্ৰেণ্ডৰ সৈতে আঁতৰি পৰে। ফৰেষ্টে ঘটনাটিক সহজভাৱে গ্ৰহণ কৰে। ইয়াৰ পিছত ফৰেষ্টে প্ৰথমখন নাও কিনি নিজৰ মাছ ধৰা ব্যৱসায়ৰ আৰম্ভণি কৰে আৰু ইয়াত নাম ৰাখে 'Bubba Gump Shrimp Company'। আৰু মজাৰ কথাটো হ'ল যে ফৰেষ্টৰ এই ব্যৱসায়ৰ প্ৰথমগৰাকী সহযোগী হিচাপে যোগদান কৰে লেঃ টেইলৰে।


আৰম্ভণিৰ সময়ত 'বুব্বা' গাম্প শ্ৰিম্প ক'ম্পেনী'ৰ সফলতাৰ হাৰ মধ্যমীয়া আছিল যদিও লাহে লাহে ই ব্যৱসায় বৃদ্ধি কৰিবলৈ আৰম্ভ কৰে আৰু খুউব কম সময়ৰ ভিতৰতে ই এটা সকলোৰে বাবে পৰিচিত নাম হৈ পৰে। সেইখিনি সময়তে ফৰেষ্টে কোম্পানীৰ সকলো ভাৰ লেঃ টেইলৰৰ হাতত অৰ্পণ কৰি তাৰ পৰা হোৱা লাভৰ কিছু অংশ 'Apple' নামৰ ছফ্‌টৱেৰ কোম্পানী এটাত খটুৱায়। উল্লেখযোগ্য যে ধনখিনি বিনিয়োগ কৰাৰ সময়ত ফৰেষ্টে ইয়াক এটা ফলৰ কোম্পানী বুলিহে ভাবিছিল। এপ'লে ফৰেষ্টৰ হাতলৈ বহুত ধন আনি দিয়ে। ফৰেষ্টে ইয়াৰ অধিকসংখ্যক ধনেই দান কৰে স্থানীয় গীৰ্জা এটাত আৰু মাছমৰীয়াসকলৰ বাবে এখন হাস্পতালৰ নিৰ্মাণ ব্যয়ত। তদুপৰি বুব্বাৰ পৰিয়ালকো তেওঁ সেই ধনৰ এক বুজন অংশ আগবঢ়ায়। সেই সময়তে ফৰেষ্টৰ মাক অসুস্থ হৈ পৰে। ফৰেষ্টে মাকৰ ওচৰলৈ যায় যদিও মাকক বচাব নোৱাৰিলে। ছবিখনত ফৰেষ্টৰ মাকৰ চৰিত্ৰটো খুবেই সৰু যদিও ফৰেষ্টৰ জীৱনৰ জৰিয়তে তেওঁৰ উপস্থিতি সকলো সময়তে অনুভূত হয়।

মাতৃহাৰা হোৱাৰ কিছুদিন পিছতে ফৰেষ্টৰ আকৌ এবাৰ জেনীৰ সৈতে সাক্ষাৎ ঘটে। এইবাৰ ফৰেষ্টে বিলম্ব নকৰি জেনীক প্ৰেমৰ প্ৰস্তাৱ আগবঢ়ায়। জেনীৰ দৃষ্টিত ফৰেষ্ট ভালপোৱাৰ অযোগ্য নহয় যদিও কোনো এক অজ্ঞাত কাৰণত তেওঁ ফৰেষ্টৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। ৰাতিটো দুয়ো একেলগে কটায় যদিও ৰাতিপুৱা ফৰেষ্ট সাৰ পোৱাৰ আগেয়ে তেওঁৰ সংগ ত্যাগ কৰি জেনী আঁতৰি পৰে। বুব্বা, মাক, জেনী— এজ এজনকৈ সকলো আঁতৰি পৰাত ফৰেষ্ট নিঃসংগ হৈ পৰে। হঠাতে ফৰেষ্টৰ মনলৈ এক অদ্ভুত ভাবনা আহে। তেওঁ ঠিক কৰে যে তেওঁ দৌৰিবলৈ আৰম্ভ কৰিব আৰু সেই দৌৰ কোনোদিনে স্তব্ধ হ'বলৈ নিদিয়ে। কথা মতে কাম। পিছৰ দিনৰেপৰা ফৰেষ্টে দৌৰিবলৈ আৰম্ভ কৰিলে। এক অন্তহীন দৌৰ। কোনেও নাজানে ফৰেষ্টে কিয় দৌৰিছে। আনকি ফৰেষ্টেও। দিনৰ পিছত দিন, মাহৰ পিছত মাহ, ফৰেষ্ট দৌৰিয়েই থাকিল। গোটেই দেশখনক ফৰেষ্টে কেইবাবাৰো প্ৰদক্ষিণ কৰিলে। একো নজনাকৈয়ে ফৰেষ্টৰ এদল অনুগামীৰো সৃষ্টি হ'ল যিয়ে ফৰেষ্টৰ বিৰামহীন দৌৰত ফৰেষ্টক সংগ প্ৰদান কৰিলে। এনেদৰে তিনি বছৰ, দুই মাহ, চৈধ্য দিন আৰু যোল্ল ঘণ্টা দৌৰাৰ পিছত হঠাতে ফৰেষ্টে অনুভৱ কৰিলে যে আচলতে জেনীৰ প্ৰত্যাখ্যান আৰু মাক আৰু বুব্বাৰ মৃত্যুৱেহে তেওঁক এনেকৈ দৌৰিবলৈ প্ৰৰোচিত কৰিছে, তেতিয়াই ফৰেষ্টে নিজৰ সেই ঐতিহাসিক দৌৰৰ সামৰণি ঘটায়।

ইমানলৈ নিজৰ জীৱন কাহিনী দুজন অচিনাকি ভিন্ন ব্যক্তিক কৈ শেষ কৰা ফৰেষ্টে জনায় যে আচলতে তেওঁ ইয়ালৈ আহিছে জেনীৰ চিঠি এখন পাই জেনীক লগ ধৰিবলৈ। ইয়াতে কাহিনীৰ ফ্লেচ বেকৰ অন্ত পৰে। ফৰেষ্ট আৰু জেনীৰ পুনৰ মিলন হয়। ফৰেষ্টে এটা কথা জানি আচৰিত হয় যে জেনী আৰু তেওঁৰ এটি সন্তানো আছে যাৰ নাম জেনীয়ে ৰাখিছে ফৰেষ্ট। জেনীয়ে সেই সময়ত এক অচিনাকি ভাইৰাচৰ দ্বাৰা আক্ৰান্ত হৈ ৰোগশয্যাত আছিল। এইবাৰ জেনীয়ে ফৰেষ্টক প্ৰেমৰ প্ৰস্তাৱ আগবঢ়ায় আৰু ফৰেষ্টে সেয়া মুহূৰ্তে গ্ৰহণ কৰে। দুয়োৰে মাজত বিবাহো সম্পন্ন হয়। কিন্তু তাৰ কিছুদিন পিছতে জেনীৰ মৃত্যু ঘটে। জেনীৰ সমাধিৰ কাষত বহি আকাশত উৰি ফুৰা চৰাইবোৰলৈ চাই ফৰেষ্টে শৈশৱৰ সেই দিনবোৰলৈ মনত পেলায়, যেতিয়া জেনী আৰু ফৰেষ্টে আকাশত উৰি ফুৰা চৰাইবোৰলৈ চাই ভগৱানক প্ৰাৰ্থনা জনাইছিল যে তেওঁলোককো যাতে চৰাইলৈ পৰিৱৰ্তিত কৰে যাতে সিহঁত দুয়ো চৰাইবোৰৰ দৰে দূৰ দিগন্তলৈ উৰি যাব পাৰে। চিনেমাৰ শেষ দৃশ্যটিত দেখা যায়— ফৰেষ্টে স্কুলৰ প্ৰথম দিনাখন ফৰেষ্ট জুনিয়ৰক স্কুল বাছখনত উঠাই দি ঠিক সেই গছডালৰ তলত আহি বহিল, যিডাল গছৰ তলত মাকে ফৰেষ্টক স্কুল বাছত উঠাই দি বহিছিলহি। গছডালৰ তলত বহি ফৰেষ্টৰ দৃষ্টি প্ৰসাৰিত হ'ল দিগন্তলৈ। তাত তেতিয়া এটি বিহংগই ডেউকা কোবাই উৰি ফুৰিছিল।

১৯৯৪ চনত মুক্তি পোৱা 'ফৰেষ্ট গাম্প' বক্স অফিচত এখন অতি সফল ছবি হিচাপে পৰিগণিত হৈছিল। কাহিনীত কিছু নাটকীয়তাৰ সংযোজন ঘটিলেও ফৰেষ্টৰ চৰিত্ৰৰ মাজেৰে দৃশ্যমান হোৱা সৰলতা তথা মানৱীয়তাৰ বেশে সকলো শ্ৰেণীৰ লোকৰ ভাবাৱেগক জোকাৰি যাবলৈ সক্ষম হৈছিল। ছবিৰ কাহিনী ভাগত আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰিচাৰ্ড নিক্সনৰ 'ৱাটাৰগেট কেলেংকাৰী'ৰ কিছু কথা দৃশ্যায়িত হোৱাৰ বাবে বহুতে ছবিখনত ৰাজনীতিৰ প্ৰলেপ থকা বুলি ক'ব খোজে যদিও পৰিচালক ৰবাৰ্ট জেমিক্‌ছে ইয়াক একেবাৰে নুই কৰিছে। ৬৭ তম একাডেমী বঁটা প্ৰদান অনুষ্ঠানত ফৰেষ্ট গাম্পে শ্ৰেষ্ঠ ছবি, শ্ৰেষ্ঠ অভিনেতা, শ্ৰেষ্ঠ পৰিচালক আদি কৰি মুঠ ছটা অস্কাৰ পুৰস্কাৰ আঁজুৰি আনিবলৈ সক্ষম হৈছিল।




এগৰাকী সহ-অভিনেত্ৰীৰ সৈতে টম হেংকছ